# গণতন্ত্ৰ, নাগৰিক আৰু নাগৰিকত্ব

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। দুটা বাক্যত উত্তৰ লিখা—**

**( ক ) গণতন্ত্ৰ কেই প্ৰকাৰৰ ? প্ৰতিটো প্ৰকাৰৰ একোটিকৈ উদাহৰণ দিয়া ।**

**উত্তৰঃ** গণতন্ত্ৰ দুই প্ৰকাৰৰ — প্ৰত্যক্ষ আৰু পৰোক্ষ । প্ৰত্যক্ষ গণতন্ত্ৰৰ উদাহৰণ — ছুইজাৰলেণ্ড আৰু পৰোক্ষ গণতন্ত্ৰৰ উদাহৰণ— ভাৰতবৰ্ষ।

**( খ ) আগৰ কালত প্ৰত্যক্ষ গণতন্ত্ৰ ক'ত আছিল আৰু সেয়া কিয় সম্ভৱ হৈছিল ?**

**উত্তৰঃ** এথেন্সকে ধৰি গ্ৰীচৰ সৰু সৰু নগৰ ৰাষ্ট্ৰবোৰত প্ৰত্যক্ষ গণতন্ত্ৰ আছিল । নগৰ ৰাষ্ট্ৰবোৰৰ আয়তন আৰু জনসংখ্যা নিচেই কম আছিল বাবে সেয়া সম্ভৱ হৈছিল ।

**( গ ) জনমত মানে কি বুজা আৰু জনমত গঠনত কিহে সহায় কৰে ?**

**উত্তৰঃ** জনমত হৈছে জনকল্যাণৰ হকে নাগৰিকৰ সমূহীয়া মত । জনমত গঠনত সহায় কৰে ৰাজনৈতিক দল , প্ৰচাৰ মাধ্যম , শিক্ষানুষ্ঠান , চলচ্চিত্ৰ , সাংস্কৃতিক অনুষ্ঠান আদিয়ে ।

**( ঘ ) গণতন্ত্ৰত ৰাজনৈতিক দল কিয় লাগে ? দুটা ভাৰতীয় ৰাজনৈতিক দলৰ নাম লিখা ।**

**উত্তৰঃ** নাগৰিকসকলক সংগঠিত কৰা , সচেতন কৰা , ৰাজনৈতিক শিক্ষা দান কৰা আৰু জনমত গঠনত সহায় কৰাৰ বাবে গণতন্ত্ৰত ৰাজনৈতিক দল লাগে । দুটা ভাৰতীয় ৰাজনৈতিক দল হৈছে — ভাৰতীয় জনতা দল আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ দল ।

**( ঙ ) পৰোক্ষ গণতন্ত্ৰত নাগৰিকে কেনেকৈ অংশ গ্ৰহণ কৰে ?**

**উত্তৰঃ** পৰোক্ষ গণতন্ত্ৰত নাগৰিকে নিৰ্বাচনৰ মাধ্যমেৰে অংশ গ্ৰহণ কৰে।নিৰ্বাচনত ভোট প্ৰদান কৰি নাগৰিকে প্ৰতিনিধি নিৰ্বাচন কৰে আৰু সেই নিৰ্বাচিত প্ৰতিনিধিয়ে নাগৰিকৰ হৈ শাসন কৰে ।

**প্ৰশ্ন ২। ৩ টা বা ৪ টা বাক্যত উত্তৰ দিয়া –**

( ক ) নাগৰিক আৰু ভোটদাতাৰ মাজত পাৰ্থক্য কি ?

**উত্তৰঃ** নাগৰিক আৰু ভোটদাতাৰ মাজত পাৰ্থক্য হৈছে –

( ১ ) সকলো নাগৰিকেই ভোটদাতা নহয় , কিন্তু ভোটদাতা হ’বলৈ নাগৰিক হ’বই লাগিব ।

২। এজন লোকে জন্ম হোৱাৰ লগে লগে জন্মসূত্ৰে , দেশীয়কৰণৰদ্বাৰা বা ৰাজ্যক্ষেত্ৰ চামিলকৰণৰ সূত্ৰে এখন দেশৰ নাগৰিক হ’ব পাৰে , কিন্তু জন্মাৰ লগে লগে ভোটদানৰ অধিকাৰ নাপায় । ভোটদাতা হ’বলৈ এটা নিৰ্দিষ্ট বয়স হোৱা দৰকাৰ । ভাৰতবৰ্ষত এই বয়স ১৮ বছৰ আৰু ইয়াক প্ৰাপ্তবয়স্ক ভোটাধিকাৰ বোলা হয় ।

**( খ ) নাগৰিকসকল কেনেকুৱা হ’ব লাগে ?**

**উত্তৰঃ** নাগৰিকসকলৰ নিজৰ অধিকাৰ আৰু কৰ্তব্য , চৰকাৰৰ দায়িত্ব আৰু ক্ষমতাৰ সীমা , জনস্বাৰ্থ , জনকল্যাণ আদিৰ বিষয়ে জ্ঞান থকাটো দৰকাৰ । নাগৰিকসকল শিক্ষিত হোৱাটো অতি দৰকাৰ । তদুপৰিনাগৰিকসকল সজ , সাহসী আৰু সহনশীল হ’ব লাগে ।

**( গ ) কোন দেশত এতিয়াও প্ৰত্যক্ষ গণতন্ত্ৰ আছে ?**

**উত্তৰঃ** ছুইজাৰলেণ্ডত এতিয়াও প্ৰত্যক্ষ গণতন্ত্ৰ আছে । ছুইজাৰলেণ্ডৰ কিছুমান কেন্টন ( প্ৰদেশ বা ৰাজ্য ) আছে যিবিলাকৰ আয়তন আৰু জনসংখ্যা নিচেই কম । আয়তন আৰু জনসংখ্যা নিচেই কম হোৱা বাবে তাত প্ৰত্যক্ষ গণতন্ত্ৰ চলি থকাত বিশেষ অসুবিধা হোৱা নাই ।

**( ঘ ) ভাৰতীয় নাগৰিকত্ব আইন কোন চনত প্ৰণয়ন কৰা হয় ?**

**উত্তৰঃ** ভাৰতীয় নাগৰিকত্ব আইন ১৯৫৫ চনত প্ৰণয়ন কৰা হয় । ভাৰতীয় সংবিধানত নাগৰিকত্বৰ কথা উল্লেখ কৰিছে , কিন্তু ইয়াৰ সকলো দিশ সামৰি আইন প্ৰণয়ন কৰাৰ দায়িত্ব সংসদত অৰ্পণ কৰিছে । সেইমতেই ভাৰতৰ সংসদে ১৯৫৫ চনত ভাৰতীয় নাগৰিকত্ব আইন প্ৰণয়ন কৰিছে ।

**( ঙ ) ছিকিমৰ বাসিন্দাসকল ক’ৰ নাগৰিক ?**

**উত্তৰঃ** ছিকিমৰ বাসিন্দাসকল ভাৰতৰ নাগৰিক। ছিকিম আগতে ভাৰতৰ চুবুৰীয়া এখন বেলেগ ৰাষ্ট্ৰ আছিল। ১৯৭৫ চনত ছিকিম ভাৰতবৰ্ষৰ লগত চামিল হৈ যােৱাৰ ফলত ছিকিমৰ নাগৰিকসকল তেতিয়াৰে পৰা ভাৰতৰ নাগৰিক হৈছে।